"মৰমৰ সন্তানসকল – তোমালোকে ৰাতিপুৱা ধনৱান হৈ যোৱা, গধুলি ভিকহু হোৱা। ভিকহুৰ পৰা ধনৱান, পতিতৰ পৰা পাৱন হোৱাৰ বাবে দুটা শব্দ স্মৃতিত ৰাখা – মনমনাভৱ, মধ্যাজীভৱ”

প্ৰশ্ন:-কৰ্মবন্ধনৰ পৰা মুক্ত হোৱাৰ যুক্তি কি?

উত্তৰ:-1. স্মৃতিৰ যাত্ৰা তথা জ্ঞানৰ স্মৰণ, 2. এজনৰ লগত সৰ্ব সম্বন্ধ ৰাখিব লাগে, অন্য একোতেই বুদ্ধি যাব নালাগে, 3. যিজন সৰ্বশক্তিমান বেটাৰী হয়, সেই বেটাৰীৰ লগত যোগ লগাই ৰাখিব লাগে। নিজৰ ওপৰত পূৰা ধ্যান ৰাখিব লাগে, দৈৱী গুণৰ পাখি লগাই ৰাখিব লাগে তেতিয়া কৰ্মবন্ধনৰ পৰা মুক্ত হৈ গৈ থাকিবা।

ওঁম্ শান্তি।পিতাই বহি বুজাইছে – এয়া হ’ল ভাৰতৰ বাবে কাহিনী? কি কাহিনী। ৰাতিপুৱা ধনৱান, গধূলি ভিকহু হয়। ইয়াৰ ওপৰত এটা কাহিনী আছে। ৰাতিপুৱা ধনৱান আছিল··· এই কথা তোমালোকে যেতিয়া ধনৱান হোৱা তেতিয়া নুশুনা। ভিকহুৰ আৰু ধনৱানৰ কথা তোমালোক সন্তানসকলে সংগমযুগতে শুনা। এয়া অন্তৰত ধাৰণ কৰিব লাগে। সঁচাকৈয়ে ভক্তিয়ে ভিকহু কৰে, জ্ঞানে ধনৱান কৰি তোলে। দিন আৰু ৰাতিও বেহদৰ হয়। ভিকহু আৰু ধনৱানও বেহদৰ কথা আৰু কৰাওঁতাও বেহদৰ পিতা হয়। সকলো পতিত আত্মাৰ কাৰণে পৱিত্ৰ বনাওঁতা এটাই বেটাৰী হয়। এনেকুৱা মন্ত্ৰ স্মৃতিৰ ৰাখা তেতিয়াও আনন্দত থাকিব পাৰিবা। পিতাই কয় – সন্তানসকল তোমালোকে ৰাতিপুৱা ধনৱান হৈ যোৱা পুনৰ গধূলি ভিকহু হৈ যোৱা। কেনেকৈ হোৱা – এয়াও পিতাই বুজায়। পুনৰ পতিতৰ পৰা পাৱন, ভিকহুৰ পৰা ধনৱান হোৱাৰ যুক্তিও পিতাই কয়। মনমনাভৱ, মধ্যাজীভৱ – এয়া দুটা যুক্তি আছে। এয়াও সন্তানসকলেহে জানে – এয়া হ’ল পুৰুষোত্তম সংগমযুগ। তোমালোক যিসকলে ইয়াত বহি আছা, গেৰাণ্টি আছে তোমালোকে স্বৰ্গত ধনাৱান নিশ্চয় হ’বা, পুৰুষাৰ্থ ক্ৰম নম্বৰ অনুসৰি। স্কুলতো এনেকুৱা হয়। ক্লাছত ক্ৰম নম্বৰ অনুসৰি স্থানান্তৰ হয়। পৰীক্ষা শেষ হ’লে তেতিয়া পুনৰ ক্ৰম নম্বৰ অনুসৰি গৈ বহে, সেয়া হ,ল হদৰ কথা, এয়া হ,ল বেহদৰ কথা। ৰুদ্ৰ মালাতো ক্ৰম নম্বৰ অনুসৰি যায়। মালা অথবা বৃক্ষ। বীজতো বৃক্ষৰে হয়। পাছে পৰমাত্মা মনুষ্য সৃষ্টিৰ বীজ, এয়া সন্তানসকলে জানে যে বৃক্ষ বৃদ্ধি কেনেকৈ হয়, পুৰণি কেনেকৈ হয়। আগতে তোমালোকে এয়া জনা নাছিলা, পিতা আহি বুজাইছে। এতিয়া এয়া হ’ল পুৰুষোত্তম সংগমযুগ। এতিয়া তোমালোক সন্তানসকলে পুৰুষাৰ্থ কৰিব লাগে। দৈৱীগুণৰূপী পাখিও ধাৰণ কৰিব লাগে। নিজৰ ওপৰত পূৰা ধ্যান দিব লাগে। স্মৰণৰ যাত্ৰাৰ দ্বাৰা তোমালোকে পাৱন হ’বা আৰু কোনো উপায় নাই। পিতা যিজন সৰ্বশক্তিমান বেটাৰী হয় তেওঁৰ লগত পূৰা যোগ লগাব লাগে। তেওঁৰ বেটাৰী কেতিয়াও (ঢিলা) নহয়। তেওঁ সতো, ৰজো, তমো অৱস্থালৈ নাহে কিয়নো তেওঁৰ সদায় কৰ্মাতীত অৱস্থা হয়। তোমালোক সন্তানসকলে কৰ্মবন্ধনত আহা। কিমান কাঢ়া বন্ধন। এই বন্ধনৰ পৰা মুক্ত হোৱাৰ এটাই উপায় – স্মৰণৰ যাত্ৰা। ইয়াৰ বাহিৰে আন একো উপায় নাই। যেনেকৈ এয়া জ্ঞান হয়, ইয়ো হাড় নৰম কৰে। প্ৰকৃততে ভক্তিয়েও নৰম কৰি তোলে। কয় এয়া বেচেৰা ভক্ত লোক, ইয়াতে প্ৰবঞ্চনা আদি একো নাই। কিন্তু ভক্তিত প্ৰৱঞ্চনাও হয়। বাবা অনুভৱী হয়। আত্মাই শৰীৰৰ দ্বাৰা পেছাগত কাম কৰে তেতিয়া এই জন্মৰো সকলো স্মৃতি আহি যায়। 4-5 বছৰ আয়ুৰ পৰা নিজৰ জীৱন কাহিনী স্মৃতিত ৰখা উচিত। কোনোৱে 10-20 বছৰৰ কথাও পাহৰি যায়। জন্ম-জন্মান্তৰ নাম ৰূপতো স্মৃতিত নাথাকে। এটা জন্মৰতো কিছু ক’ব পাৰে। ফটো আদি ৰাখে। আগৰ জন্মৰতো খবৰ নাথাকে। প্ৰতিটো আত্মা ভিন্ন নাম, ৰূপ, দেশ, সময়ত চৰিত্ৰ ৰূপায়ণ কৰে। নাম, ৰূপ সকলো পৰিৱৰ্তন হৈ থাকে। এয়াতো বুদ্ধিত আছে কেনেকৈ আত্মাই এটা শৰীৰ এৰি অন্য এটা শৰীৰ লয়। নিশ্চয় 84 জন্ম, 84 নাম, 84 পিতা হ’ব। অন্ত সময়ত তমোপ্ৰধান সম্বন্ধ হৈ যায়। এই সময়ত যিমান সম্বন্ধ হয়, ইমান কেতিয়াও নহয়। কলিযুগী সম্বন্ধক বন্ধন বুলিয়েই ভাবিব লাগিব। কিমান সন্তান থাকে, পুনৰ বিয়া পাতে, পুনৰ সন্তান জন্ম দিয়ে। এই সময়ত সকলোতকৈ বেছি বন্ধন হ’ল – খুড়া, মামা, ককাৰ··· যিমান বেছি সম্বন্ধ সিমান বেছি বন্ধন। বাতৰি কাকতত আহিছে পাঁচজন সন্তান একেলগে জন্মিছে, পাঁচ জনেই সুস্থ। হিচাপ কৰাচোন কিমান সম্বন্ধ হৈ যায়। এই সময়ত তোমালোকৰ সম্বন্ধ সকলোতকৈ কম। কেৱল এজন পিতাৰ লগত সকলো সম্বন্ধ। কেৱল এজনৰ বাহিৰে অন্য কাৰো লগত তোমালোকৰ বুদ্ধিযোগ নাই। পুনৰ সত্যযুগত ইয়াতকৈ বেছি হ’ব। হীৰাৰ নিচিনা জন্ম এতিয়া তোমালোকৰ। সৰ্বোচ্চ পিতাই সন্তানসকলক তুলি লয়। উত্তৰাধিকাৰ পাবলৈ জীয়াই জীয়াই কোলালৈ যোৱা,

সেয়াও এতিয়াহে হয়। তোমালোকে এনেকুৱা পিতাৰ কোলালৈ আহিছা যাৰ দ্বাৰা তোমালোকে উত্তৰাধিকাৰ পোৱা। তোমালোক ব্ৰাহ্মণতকৈ উচ্চ কোনো নাই। সকলোৰে যোগ এজনৰ লগত। তোমালোকৰ পৰস্পৰে কোনো সম্বন্ধ নাই। ভাই-ভনীৰ সম্বন্ধইও বগৰাই দিয়ে। সম্বন্ধ এজনৰ লগত হোৱা উচিত। এয়া হ'ল নতুন কথা। পৱিত্ৰ হৈ উভতি যাব লাগে। এনেকৈ বিচাৰ সাগৰ মন্থন কৰিলে তোমালোকৰ বহুত শোভা বাঢ়িব। সত্যযুগী শোভা আৰু কলিযুগী শোভাৰ মাজত ৰাতি-দিনৰ পাৰ্থক্য আছে। ভক্তি মাৰ্গৰ সময়ে হৈছে ৰাৱণ ৰাজ্য। পিছলৈ বিজ্ঞানৰ দম্ভালিও কিমান থাকিব। যিয়ে সত্যযুগৰ লগত দেখাসাক্ষাৎ কৰে। এজনী কন্যাই খবৰ লিখিছে যে আমি প্ৰশ্ন সুধিছিলো যে স্বৰ্গত আছা নে নৰকত আছা? তেতিয়া 4-5 জনে ক'লে যে আমি স্বৰ্গত আছো। বুদ্ধিত ৰাতি-দিনৰ পাৰ্থক্য আহি যায়। কোনোবাই ভাবে আমিতো নৰকত আছো, পিছত তেওঁলোকক বুজাবলগীয়া হয় যে স্বৰ্গবাসী হ'বলৈ বিচৰা নেকি? স্বৰ্গ কোনে স্থাপন কৰে? এয়া বহুত মিঠা মিঠা কথা। তোমালোকে লিখা, কিন্তু বহীতে সেই লিখাবোৰ ৰৈ যায়, সময়ত স্মৃতিলৈ নাহে। এতিয়া পতিতৰ পৰা পাৱন কৰি তোলোতা হৈছে পৰমপিতা পৰমাত্মা শিৱ। তেওঁ কয় – মোক স্মৰণ কৰা তেতিয়া পাপ কটা যাব। স্মৰণত কিবাতো বৃদ্ধি হ'বই। স্মৰণৰ নিয়মো এতিয়া ওলাইছে। স্মৰণৰ দ্বাৰা তোমালোকে কিমান উচ্চ স্বচ্ছ হৈ যোৱা। যিয়ে যিমান মেহনত কৰিবা সিমান উচ্চ পদ পাবা। বাবাকো সুধিব পাৰা। দুনীয়াততো সম্বন্ধ আৰু সম্পত্তিৰ বাবে কাজিয়াই কাজিয়া। ইয়াতেতো কোনো সম্বন্ধ নাই। এজন পিতা, অন্য কোনো নাই। পিতা হ'ল বেহদৰ মালিক। কথাতো বহুত সহজ। সেইফালে স্বৰ্গ আৰু এইফালে নৰক। নৰকবাসী ভাল নে স্বৰ্গবাসী ভাল? যিসকলে বুদ্ধিমান হ'ব তেওঁলোকেতো ক'ব স্বৰ্গবাসী ভাল। কোনোৱেতো কৈ দিয়ে নৰ্কবাসী আৰু স্বৰ্গবাসী, এইবোৰ কথাৰ লগত আমাৰ কোনো সম্পৰ্ক নাই কিয়নো পিতাকে নাজানে। কোনোৱে পিছে পিতাৰ কোলাৰ পৰা মায়াৰ কোলালৈ গুচি যায়। আচৰিত নহয়নে! পিতাও আচৰিত সেয়ে জ্ঞানো আচৰিত, সকলো আচৰিত। এই আশ্চৰ্য বুজাসকলও এনেকুৱা হোৱা প্ৰয়োজন, যাৰ বুদ্ধি এই আশ্চৰ্যতে লাগি থাকে। ৰাৱণ আশ্চৰ্য নহয়, তেওঁৰ ৰচনাও আশ্চৰ্য নহয়। ৰাতি-দিনৰ পাৰ্থক্য আছে। শাস্ত্ৰত লিখি দিছে – কালি দমন কৰিলে, সাপি ডাকিলে, ক'লা হৈ গ'ল। এতিয়া তোমালোকে ভালদৰে এয়া বুজাব পাৰা। কোনোবাই কৃষ্ণৰ চিত্ৰ লৈ পঢ়িলে তেতিয়া পুনৰুজ্জীৱিত হৈ যাব। 84 জন্মৰ কাহিনী হয়। যেনেকৈ কৃষ্ণৰ তেনেকৈ তোমালোকৰ। স্বৰ্গলৈতো তোমালোকে আহা নহয় জানো। পাছত ত্ৰেতালৈও আহি থাকিব। বৃদ্ধি হৈ থাকে। এনে নহয় যে ত্ৰেতাত যিসকল ৰজা হয় তেওঁলোকে ত্ৰেতাতে আহিব। অশিক্ষিতসকলে শিক্ষিতসকলৰ ভৰি ধুৱাব লাগিব। এই নাটকৰ ৰহস্য বাবাইহে জানে। এতিয়া তোমালোকে জানিছা তোমালোকৰ মিত্ৰ-সম্বন্ধী সকলোৱে নৰকবাসী হয়। আমি পুৰুষোত্তম সংগমযুগী হওঁ। এতিয়া পুৰুষোত্তম হৈ আছো। বাহিৰত থকা আৰু ইয়াতে 7 দিন আহি থকাৰ মাজত বহুত পাৰ্থক্য হৈ যায়। হাঁহৰ সংগ এৰি বগলীৰ সংগলৈ যায়। বহুতে হানি কৰোতাও আছে। বহুত সন্তানে মুৰুলীৰ প্ৰতি সতৰ্ক নহয়। পিতাই বুজাই – সন্তানসকল গাফিলতি নকৰিবা। তোমালোকে সুগন্ধি ফুল হ'ব লাগে। কেৱল এটা কথাই তোমালোকৰ বাবে যথেষ্ট – স্মৰণৰ যাত্ৰা। ইয়াতে তোমালোকৰ ব্ৰাহ্মণৰ সংগ হয়। ক'ত উচ্চতকৈও উচ্চ, ক'ত নীচ। সন্তানসকলে লিখে – বাবা বগলীৰ জাকত আমি এটা হাঁহে কি কৰিম? বগলীয়ে কাটা লগায়। কিমান মেহনত কৰিবলগীয়া হয়। পিতাৰ শ্ৰীমতত চলিলে উচ্চ পদো পাবা। সদায় হাঁহ হৈ থাকা। বগলীৰ সংগত বগলী হৈ নাযাবা। গায়ন আছে – আশ্চৰ্যজনকভাৱে শুনে, কয়, আঁতৰি যায়··· অলপ জ্ঞান ল'লেও স্বৰ্গলৈ আহিব। কিন্তু ৰাতি-দিনৰ পাৰ্থক্য হৈ যায়। বহুত কাঢ়া শাস্তি পাব। পিতাই কয় – মোৰ মতত নচলিলে, পতিত হ'লে তেতিয়া এশ গুণ দণ্ড হৈ যায়। পাছত পদো কম হৈ যায়। এয়া ৰাজধানী স্থাপন হৈ আছে। এই কথা পাহৰি যায়। এয়াও স্মৃতিত থাকিলেও তেতিয়াও উচ্চ পদ পোৱাৰ বাবে পুৰুষাৰ্থ নিশ্চয় কৰা। নকৰিলে তেতিয়া বুজা যায় – এখন কাণেৰে শুনি আনখনেৰে উলিয়াই দিয়ে। পিতাৰ লগত যোগ নাই। ইয়াত থাকিও বুদ্ধি সা-সন্তানৰ প্ৰতি লাগি থাকে। পিতাই কয় – সকলো পাহৰি যোৱা। ইয়াকে কোৱা হয় বৈৰাগ্য। ইয়াতেও শতাংশ (percent) আছে। ক'ৰবাত নহয় ক'ৰবাত খেয়াল গুচি যায়। এজনৰ আনজনৰ লগত স্নেহ হৈ যায় তেতিয়াও বুদ্ধি ওলমি থাকে।

পিতাই সদায় বুজায় – এই চকুৰে যি দেখিছা, সেই সকলো সমাপ্ত হ'বলগীয়া। তোমালোকৰ বুদ্ধিযোগ নতুন নতুন দুনীয়া থাকক আৰু বেহদৰ সম্বন্ধীয়সকলৰ লগত বুদ্ধিযোগ ৰাখিব লাগে। এই প্ৰেমিক বহুত আচৰিত। ভক্তিতো গায় – আপুনি যেতিয়া আহিব তেতিয়া আপোনাৰ অবিহনে আমি কাকোৱেই স্মৰণ নকৰো। এতিয়া মই আহিছো, সেয়ে এতিয়া তোমালোকে সকলো ফালৰ পৰা

বুদ্ধিযোগ আঁতৰাব লাগে নহয় জানো। এই সকলো মাটিত মিহলি হৈ যাব। তোমালোকৰ বুদ্ধিযোগ যেন মাটিৰ লগত। মোৰ লগত বুদ্ধিযোগ থাকিলে তেতিয়া মালিক হৈ যাবা। পিতাই কিমান বুধিয়ক কৰি তোলে। মানুহে নাজানে যে ভক্তি কি আৰু জ্ঞান কি? এতিয়া তোমালোকে জ্ঞান পাইছা তেতিয়া তোমালোকে ভক্তিও বুজি পোৱা। এতিয়া তোমালোকৰ অনুভূতি আহে যে ভক্তিত কিমান দুখ। মানুহে ভক্তি কৰে নিজকে বহুত সুখী বুলি ভাবে। পুনৰ কয় – ভগৱানে আহি ফল দিব। কাক আৰু কেনেকৈ ফল দিব – সেয়া একো নুবুজে। এতিয়া তোমালোকে জানিছা – পিতাই ভক্তিৰ ফল দিবলৈ আহিছে। বিশ্বৰ ৰাজধানীৰ ফল যিজন পিতাৰ পৰা পোৱা যায় সেই পিতাই যি পৰামৰ্শ দিয়ে, তাৰ ওপৰত চলিব লাগিব। তাকে কোৱা হয় উচ্চতকৈও উচ্চ মত। মত সকলোৱে পায়। পাছে কোনোবা চলিব পাৰে, কোনোবাই চলিব নোৱাৰে। বেহদৰ বাদশ্বাহী স্থাপন হ'ব। এতিয়া তোমালোকে বুজিছা – আমি কি আছিলো, এতিয়া আমাৰ কি অৱস্থা। মায়াই একেবাৰে খতম কৰি দিয়ে। এয়া যেন মৃতকৰ দুনীয়া। ভক্তি মাৰ্গত তোমালোকে যি কিবা শুনিছিলা সেয়া সকলো সত সত সত কৰিছিলা। কিন্তু তোমালোকে জানিছা যে সত্যতো এজন পিতাই শুনায়। এনেকুৱা পিতাক স্মৰণ কৰিব লাগে। ইয়াত কোনোবা বাহিৰৰ মানুহে বহিলে তেতিয়া তেওঁ একো বুজি নাপাব। ক'ব – নাজানো এয়া কি শুনায়। গোটেই দুনীয়াই কয় – পৰমাত্মা সৰ্বব্যাপক আৰু এওঁলোকে কয় তেওঁ আমাৰ পিতা হয়। কান্ধ লৰাই না না কৰি থাকিব। তোমালোকৰ অন্তৰৰ পৰা হা হা ওলাই থাকিব, সেইবাবে নতুন কাকো অনুমতি দিয়া নহয়। অচ্ছা!

অতি মৰমৰ কল্পৰ পিছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

ধাৰণাৰ বাবে মুখ্য সাৰ:-

(1) সুগন্ধি ফুল হ'বলৈ সংগ বহুত চম্ভালি কৰিব লাগে। হাঁহৰ সংগ কৰিব লাগে, হাঁহৰ নিচিনা হৈ থাকিব লাগে। মুৰুলী প্ৰতি সতৰ্ক হ'ব লাগে, গাফিলতি কৰিব নালাগে।

(2) কৰ্মবন্ধনৰ পৰা মুক্ত হ'বলৈ সংগম যুগত এজন পিতাৰ লগত সকলো সম্বন্ধ ৰাখিব লাগে। পৰস্পৰে কোনো সম্বন্ধ ৰাখিব নালাগে। হদৰ কিবা সম্বন্ধৰ প্ৰতি স্নেহ ৰাখি বুদ্ধিযোগ ওলোমাই ৰাখিব নালাগে। এজনকে স্মৰণ কৰিব লাগে।

বৰদান:-সাক্ষী স্থিতিত স্থিত হৈ পৰিস্থিতিৰ খেল প্ৰত্যক্ষ কৰোঁতা সন্তোষী আত্মা হোৱা

যিকোনো অস্থিৰ কৰা পৰিস্থিতি হওক কিন্তু সাক্ষী স্থিতিত স্থিত হৈ যোৱা তেতিয়া অনুভৱ কৰিবা যেন পপেট শো (কাঠপুতলাৰ খেল)। সঁচা নহয়। নিজৰ মৰ্যাদাত থাকি খেল চোৱা। সংগমযুগৰ শ্ৰেষ্ঠ সন্মান হ'ল সন্তুষ্টমণি হোৱা অথবা সন্তোষী হৈ থাকা। এই মৰ্যাদাত থকা আত্মা বিৰক্ত নহ'বা। সংগমযুগত বাপদাদাৰ বিশেষ দান হৈছে সন্তুষ্টতা।

*শ্লোগান:-এনেকুৱা প্ৰফুল্লিত অন্তৰৰ হোৱা যাতে মনৰ আনন্দ চেহেৰাত স্পষ্টকৈ দেখা দিয়ে।

ওঁম্ শান্তি!!